**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-07-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

HeadlineS

১। কৃষিজাত সামগ্ৰীৰ গুণগত মান বৃদ্ধিৰ বাবে বিজ্ঞানীসকলক কৃষকৰ সৈতে প্ৰত্যক্ষ যোগাযোগ ৰাখিবলৈ কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ আহ্বান।

২। ৰাজ্যৰ সামগ্ৰিক বান পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰেপৰা ৰাষ্ট্ৰীয় ঘাইপথৰ কাজিৰঙাৰ অংশৰ মাজেৰে লঘু যান-বাহন আৰু বাছ চলাচলৰ অনুমতি।

৩। যান-বাহনৰ কৰ আৰোপ ব্যৱস্থাৰ সৰলীকৰণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত পৰিবহণ বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে পৰিবহণ মন্ত্ৰী কেশৱ মহন্তৰ আলোচনা।

৪। বিভিন্ন প্ৰজাতিৰ সাপে ৰাজ্যৰ জৈৱ বৈচিত্ৰ চহকী কৰি আহিছে বুলি বিশ্ব সৰ্প দিৱসত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

আৰু

৫। অষ্ট্ৰেলিয়া ভ্ৰমণৰ বাবে ঘোষণা কৰা ভাৰতৰ মহিলা 'এ' দলত অসমৰ উমা চেত্ৰীৰ স্থান লাভ।

0000000

দেশৰ কৃষিজাত সামগ্ৰীৰ গুণগত মান বৃদ্ধিৰ বাবে বিজ্ঞানীসকলে কৃষকৰ সৈতে পোনপটীয়াকৈ যোগাযোগ ৰক্ষা কৰা প্ৰয়োজন বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰে। নতুন দিল্লীত আজি অনুষ্ঠিত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ ৯৬ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কৃষকৰ উপাৰ্জন দুগুণলৈ বৃদ্ধি কৰাৰ লক্ষ্যত উপনীত হ'বলৈ কৃষিৰ সৈতে জড়িত সকলোৱে ঐক্যবদ্ধভাৱে কাম কৰি যোৱা উচিত বুলি মন্তব্য কৰে। বিশেষকৈ কৃষি বিজ্ঞানী, বিশ্ব বিদ্যালয়, মহাবিদ্যালয়, কৃষি বিজ্ঞান কেন্দ্ৰই এই বিষয়ে গুৰুত্ব দিয়া প্ৰয়োজন বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

0000000

ৰাজ্যৰ সামগ্ৰিক বান পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰেপৰা ৰাষ্ট্ৰীয় ঘাইপথৰ কাজিৰঙাৰ অংশৰ মাজেৰে লঘু যান-বাহন আৰু বাছৰ চলাচলৰ অনুমতি প্ৰদান কৰা হৈছে। অৱশ্যে বাহনৰ গতিৰ ক্ষেত্ৰত নিষেধাজ্ঞা অব্যাহত থাকিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। ইপিনে, ৰাজ্যৰ বিভিন্ন অঞ্চলত বাঢ়নী পানী হ্ৰাস পাইছে যদিও এতিয়াও ১৭ খন জিলাৰ এহেজাৰ ১০০ ৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত আছে। ৰাজ্যখনত ৫ লাখৰো অধিক লোক এতিয়াও বানৰ ক্ষতিৰ সন্মুখীন হৈ আছে। একেদৰে ১১৬ টা আশ্ৰয় শিবিৰত ২৪ হাজাৰৰো অধিক লোকে এতিয়াও আশ্ৰয় লৈ আছে। শেহতীয়া তথ্য অনুসৰি বিগত ২৪ ঘণ্টাত ৰাজ্যত বানৰ ফলত ৩ জন লোকৰ মৃত্যু হোৱাত এইবাৰৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৬ লৈ বৃদ্ধি হৈছে। কোনো কোনো অঞ্চলত পানী শুকুওৱাৰ পাছত জনসাধাৰণ নিজ বাসগৃহ অভিমুখে উভতি গৈছে যদিও বানৰ পাছত বিভিন্ন ৰোগৰ আশংকাই দেখা দিছে। স্বাস্থ্য আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগে পানী বিশুদ্ধকৰণৰ বাবে ঔষধ তথা বিশুদ্ধ খোৱাপানী, অ' আৰ এছ্ আদি বিতৰণ কৰিছে।

ডিব্ৰুগড় জিলাৰ মৰাণৰ খোৱাং অঞ্চলত বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও ক্ষতিগ্ৰস্ত কেইবাখনো গাঁৱৰ দুই শতাধিক কৃষক পৰিয়ালৰ প্ৰায় ৬০০ বিঘা ভূমিত লগোৱা শাক-পাচলিৰ খেতি বানত জাহ যোৱাৰ ফলত তেওঁলোক অসুবিধাৰ সন্মুখীন হৈছে। তদুপৰি পোহনীয়া জীৱ-জন্তুৰ মৃত্যু হোৱাত আৰ্থিক ক্ষেত্ৰত সমস্যাই দেখা দিছে।

ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা আগলি বতৰা অনুযায়ী অসমকে ধৰি দেশৰ ১৯ খন ৰাজ্যত আজিৰেপৰা অহা ৪ দিন পৰ্যন্ত ধাৰাসাৰ বৰষুণৰ সম্ভাৱনা আছে।

০০০০০০০

পৰিবহণ মন্ত্ৰী কেশৱ মহন্তই আজি ৰাজ্যত যান-বাহনৰ কৰ আৰোপ ব্যৱস্থাৰ সৰলীকৰণ আৰু অসম ৰাজ্যিক পৰিবহণ নিগমৰ স্থাৱৰ সম্পদৰাজিৰ সুপৰিচালনা সন্দৰ্ভত পৰিবহণ বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। দিছপুৰ অনুষ্ঠিত এই বৈঠকত অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধ্যক্ষ মিছন ৰঞ্জন দাস, উপাধক্ষ্য প্ৰণৱজ্যোতি লহকৰৰ লগতে পৰিবহণ আয়ুক্ত মেঘনিধি দাহাল আৰু অসম ৰাজ্যিক পৰিবহণ নিগমৰ পৰিচালন সঞ্চলক চিন্ময় ফুকন উপস্থিত থাকে।

০০০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে আজি জনতা ভৱনত বিভাগটোৰ বিভিন্ন শাখাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈ ৰূপায়িত বিভিন্ন প্ৰকল্পৰ কাম-কাজৰ পৰ্যালোচনা কৰে। মন্ত্ৰী শ্ৰী সিংহলে পৌৰ প্ৰশাসনৰ সংস্কাৰ, উদ্যান আৰু বজাৰ গৃহ নিৰ্মাণ, স্বচ্ছ ভাৰত অভিযান আদি বিভিন্ন বিষয়ত কেইবাখনো গুৰুত্বপূৰ্ণ আলোচনাত অংশগ্ৰহণ কৰে। গুৱাহাটী পৌৰ নিগমৰ শীৰ্ষ বিষয়াসকলৰ সৈতে তেওঁ পৌৰ প্ৰশাসনৰ সংস্কাৰ সন্দৰ্ভত গঠিক এজনীয়া সমিতিৰ প্ৰতিবেদন আৰু পৌৰ সংশোধনী আইন ২০২৪ৰ খচৰা নিয়মাৱলী প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰে। বৈঠকত জালুকবাৰীৰ পৰা খানাপাৰালৈ ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে ষ্ট্ৰিট লাইট স্থাপন আৰু নগৰীয়া আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত অনুমোদিত উদ্যান সন্দৰ্ভত জি ইউ চি এল আৰু গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ কাৰিকৰী শাখাত আলোচনা কৰা হয়। আনহাতে, নগৰ আৰু গাঁও পৰিকল্পনা সঞ্চালকালয়ৰ সৈতে হোৱা বৈঠকত মহানগৰীৰ অকৰ্তৃত্বশীল নিৰ্মাণ কাৰ্যসমূহৰ এককালীন নিয়মীয়াকৰণৰ শেহতীয়া স্থিতিৰ পৰ্যালোচনা কৰা হয়। **স্বচ্ছ মিছন** (নগৰীয়া)ৰ অধীনত ৰূপায়িত গোটা আৱৰ্জনা ব্যৱস্থাপনা আৰু ব্যৱহৃত পানী ব্যৱস্থাপনাৰ কামকাজৰ স্থিতিৰ লগতে গুৱাহাটী পৌৰ নিগমৰ অধীনত ৰূপায়িত স্বচ্ছ ভাৰত মিছনৰ কামৰ স্থিতি সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়। কামাখ্যাক প্লাষ্টিক মুক্ত অঞ্চল হিচাপে গঢ়ি তোলা সন্দৰ্ভতো আজিৰ এই বৈঠকত আলোকপাত কৰা হয়।

ইপিনে, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া আৰু শীৰ্ষ বিষয়াসকলৰ সৈতে হোৱা বৈঠকত মূলতঃ নিগমৰ অধীনত নিৰ্মাণ কৰা বজাৰ গৃহ, চাফাই কৰ্মচাৰীৰ আবাসগৃহ, স্বচ্ছ সৰ্বেক্ষণ আৰু আৱৰ্জনা সংগ্ৰহ ব্যৱস্থাপনা, বৰাগাঁৱৰ আৱৰ্জনা পৰিশোধন প্ৰকল্পৰ ভূমি অধিগ্ৰহণৰ স্থিতিৰ লগতে পৌৰ নিগমৰ অধীনত ৰূপায়িত অন্যান্য কামকাজৰ শেহতীয়া অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। চলিত বছৰৰ ভিতৰতে পৌৰ নিগমৰ অধীনত নিৰ্মাণ কাৰ্য চলি থকা হেঙেৰাবাৰী, গণেশগুৰি, উলুবাৰী আৰু বেলতলাৰ বহু মহলীয়া বজাৰ গৃহৰ নিৰ্মাণ সম্পূৰ্ণ কৰি ক্ষুদ্ৰ ব্যৱসায়ীসকলক আৱণ্টন দিয়াৰ পদক্ষে গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিগমৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। আনহাতে, মহানগৰীৰ পৰা দৈনিক সংগৃহিত বৃহৎ পৰিমাণৰ আৱৰ্জনা পেলোৱাৰ বাবে উপযুক্ত ভূমি সন্দৰ্ভত পৰামৰ্শ প্ৰদানৰ বাবে গৃহ নিৰ্মাণ আৰু পৰিক্ৰমা বিভাগৰ সচিব, গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত আৰু কামৰূপ মহানগৰ জিলাৰ আয়ুক্তক লৈ এখন কমিটি গঠনৰ বাবে তেওঁ বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডত স্থাপন হ'বলগীয়া টাটাৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ বাবে অসম চৰকাৰে আবণ্টন দিয়া ৫১৭ বিঘাৰো অধিক ভূমিৰ আজি চৰকাৰী নিয়ম অনুসৰি মৰিগাঁও উপ-পঞ্জীয়কৰ কাৰ্যালয়ত পঞ্জীয়ন প্ৰক্ৰিয়া সম্পন্ন হয়। টাটা ইলেক্ট্ৰনিক্‌ছ কৰ্তৃপক্ষৰ এটা উচ্চস্তৰীয় দল মুম্বাইৰ পৰা আহি মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত আলোচনাত মিলিত হোৱাৰ পাছতে ভূমি পঞ্জীয়ন প্ৰক্ৰিয়া সম্পন্ন কৰে। দলটোৰে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাসহ উপ-পঞ্জীয়কৰ কাৰ্যালয়ত উপস্থিত হয়।

০০০০০০০

চৰকাৰী ৰে'ল আৰক্ষীয়ে আজি গুৱাহাটী ৰে'ল ষ্টেচনত পাঁচজনকৈ বাংলাদেশী নাগৰিকক আটক কৰে। গুৱাহাটী ৰে'ল ষ্টেচনত বেংগালুৰু অভিমুখী ৰে'লত উঠাৰ সময়তে ৰে'ল আৰক্ষীয়ে বাংলাদেশী লোক কেইজনক আটক কৰে। ৰে'ল আৰক্ষীৰ সূত্ৰই জনোৱা অনুসৰি  লোককেইজন বাংলাদেশৰ পৰা ত্ৰিপুৰা হৈ অসম অনুপ্ৰৱেশ কৰে। ইপিনে, চৰকাৰী ৰে'ল আৰক্ষী আৰু ৰে'ল সুৰক্ষা বাহিনীয়ে আজি যুটীয়াভাৱে অভিযান চলাই গুৱাহাটী ৰে'ল ষ্টেচনত ১৬০ বস্তা চুপাৰী জব্দ কৰে। কামৰূপ এক্সপ্ৰেছৰ পৰা চুপাৰিখিনি জব্দ কৰা হয়। সৰবৰাহকাৰী চক্ৰই চুপাৰীখিনি ডিমাপুৰৰ পৰা কামৰূপ এক্সপ্ৰেছ যোগে কলকাতালৈ নিয়াৰ অপচেষ্টা চলাইছিল বুলি ৰে'ল আৰক্ষীয়ে জানিবলৈ দিয়ে।

০০০০০০০

চৰাইদেউ জিলাৰ আয়ুক্ত কাৰ্যালয়ত আজি ৰাজহ মন্ত্ৰী যোগেন মহনে জিলাখনৰ অনুসূচিত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত ৯০ গৰাকী হিতাধিকাৰীৰ মাজত স্মাৰ্ট টিভি বিতৰণ কৰে। এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ উন্নয়নৰ লগতে দৰিদ্ৰতা নিৰ্মূলৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে বিভিন্ন জন কল্যাণকামী আঁচনি গ্ৰহণ কৰি আহিছে। ইয়াৰ দ্বাৰা সমাজৰ পিছপৰা শ্ৰেণীয়েও যাতে বিকাশৰ ধাৰাত সমানে অংশীদাৰ হ'ব পাৰে তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে বুলি তেওঁ কয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক স্মাৰ্ট টিভিৰ সৎ ব্যৱহাৰ কৰি বিনোদনৰ লগতে দেশ বিদেশৰ বা-বাতৰি আৰু জ্ঞান আহৰণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, জিলাখনৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ উপৰি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০

আজি বিশ্ব সৰ্প দিৱস। সাপৰ বিভিন্ন প্ৰজাতি সংৰক্ষণৰ দ্বাৰা জৈৱ বৈচিত্ৰ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস পালন কৰা হয়। এই উপলক্ষে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে বিভিন্ন প্ৰজাতিৰ সাপে ৰাজ্যৰ জৈৱ বৈচিত্ৰ চহকী কৰি আহিছে আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ৰাজ্য চৰকাৰ আৰু প্ৰকৃতি সংৰক্ষণ কৰ্মীসকলে এনে বিচিত্ৰ প্ৰজাতিৰ সাপৰ বিচৰণস্থলীসমূহ চিনাক্ত কৰি সেইসমূহ সুৰক্ষিত কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। সাপৰ প্ৰতি থকা মানুহৰ অহেতুক ভীতিৰ পৰিপ্ৰেক্ষিতত সাধাৰণতে মানুহৰ সৈতে ইয়াৰ সংঘাত পৰিলক্ষিত হয়। এই সংঘাতৰ ফলতে সৰ্প দংশনৰ ফলত বহু লোকে প্ৰাণ হেৰুৱাবলগীয়া হয়। সৰ্প দংশনৰ ফলত হোৱা প্ৰাণহানি ৰোধ কৰাৰ লগতে বিষয়টো সম্পৰ্কত সজাগতা সৃষ্টিৰ বাবেও আজিৰ দিৱসৰ সৈতে সংগতি ৰাখি কাৰ্যসূচী লোৱা হৈছে। উল্লেখযোগ্য যে বিশ্বত ৩হাজাৰ ৫০০ৰো অধিক প্ৰজাতিৰ সাপ থকাৰ তথ্য পোৱা যায়। ইয়াৰ ভিতৰত ৬০০ বিধ বিষাক্ত বুলি জানিব পৰা যায়। ইপিনে, বিশ্ব সৰ্প দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ কোনো কোনো স্থানত

সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। মৰিগাঁৱত প্ৰকৃতিপ্ৰেমী মঞ্চ, অসম নামৰ স্বেচ্ছাসেৱী সংস্থাই দিনজোৰা কাৰ্যসূচীৰে এই দিৱস পালন কৰে। সৰ্প সংৰক্ষণ আৰু সৰ্প দংশনৰ সজাগতা সৃষ্টিৰ হেতু আজি বঘৰাৰ এজাবাৰী, ডমাল আদি অঞ্চলত সমদল উলিওৱা হয়। ইয়াৰ পাছতে জিলাখনৰ পশ্চিম সিধাবাৰী মধ্য ইংৰাজী বিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিভিন্ন প্ৰজাতিৰ সৰ্পৰ শিক্ষাৰ্থীসকলক আলোকচিত্ৰ প্ৰদৰ্শন কৰাৰ উপৰি বিষাক্ত সাপ চিনাক্ত কৰাৰ কৌশল সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক শিকোওৱা হয়।

ooooooo

ৰাজ্য চৰকাৰৰ অন্ন সেৱা দিন আঁচনিৰ অধীনত যোৰহাট জিলাৰ তিতাবৰ আৰু মৰিয়নিত কাৰ্যবাহী দণ্ডাধীশসহ খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা বিভাগৰ বিষয়াই সুলভ মূল্যৰ দোকান পৰিদৰ্শন কৰে। সুলভ মূল্যৰ দোকানীয়ে হিতাধিকাৰীসকলক উপযুক্ত পৰিমাণৰ খাদ্যবস্তুৰ যোগান ধৰা সন্দৰ্ভত সবিশেষ জনোৱাৰ বাবে বিষয়াসকলে দোকানসমূহ পৰিদৰ্শন কৰে।

ooooooo

মানস ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰীত দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত গ্ৰীষ্মকালিন বিজ্ঞান শিক্ষণ, বিশ্লেষণ আৰু প্ৰকৃতি শিবিৰৰ আজি সামৰণি পৰে। ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমিতিৰ উদ্যোগত আৰু শালবাৰী মহকুমা সাংবাদিক সংস্থাৰ সহযোগত অনুষ্ঠিত এই শিবিৰত বিজ্ঞানৰ বিভিন্ন দিশৰ বিষয়ে আলোকপাত কৰা হয়। শিবিৰত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শতাধিক ছাত্ৰ-ছাত্ৰীক পক্ষী নিৰীক্ষণ আৰু সংৰক্ষণ, বিজ্ঞান আৰু যাদু, বণ্যপ্ৰাণী সুৰক্ষা আৰু মানুহ, নেচাৰ মেপিং, যাদুৰ আঁৰৰ বিজ্ঞান, প্ৰকৃতি আৰু শিল্পকলা আদি বিষয়সন্দৰ্ভত সমল ব্যক্তিসকলে প্ৰশিক্ষণ প্ৰদান কৰে।

ooooooo

অসমৰ উমা চেত্ৰীয়ে অষ্ট্ৰেলিয়া ভ্ৰমণৰ বাবে ঘোষণা কৰা ভাৰতৰ মহিলা এ দলত স্থান লাভ কৰিছে। ভাৰতৰ মহিলা দলটোৱে অষ্ট্ৰেলিয়াত ঘৰুৱা এ দলটোৰ বিৰুদ্ধে দুখন টী-২০, তিনিখন এদিনীয়া আৰু এখন চাৰিদিনীয়া খেলত অৱতীৰ্ণ হ'ব। তিনিওটা ফৰমেটৰ বাবে ঘোষণা কৰা দলটোত প্ৰথম পছন্দৰ উইকেটৰক্ষক বেটাৰ হিচাপে উমাই স্থান লাভ কৰে। ভাৰতীয় এ দলটোৱে শৃংখলাৰ প্ৰথমখন টী-২০ খেল ৭ আগষ্টত ব্ৰীছবেনত খেলিব।

ooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা চাৰে ৮ বজাত প্ৰচাৰ হ'বলগীয়া চলন্তিকা অনুষ্ঠানত গোৱালপাৰা জিলাত ৰূপায়িত হৈ থকা সম্পূৰ্ণতা অভিযান সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত গোৱালপাৰাৰ জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰী অতিথি হিচাপে উপস্থিত থাকিব। সাক্ষাৎ গ্ৰহণ কৰিব গোৱালপাৰাৰ সংবাদদাতা ৰছিদুল হুছেইনে।

oooooooo

সাধাৰণ জনজাতীয় ৰাইজৰ সহায় হোৱাকৈ গুৱাহাটীৰ পল্টন বজাৰত নবীকৃত জনজাতীয় জিৰণিগৃহ এটা আজি মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উদ্বোধন কৰে। শিক্ষা, চিকিৎসা, বাণিজ্যিক আদি কাৰণত গুৱাহাটীলৈ অহা জনজাতীয় লোকসকল এই গৃহৰ জৰিয়তে উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। জিৰণি গৃহটো ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ অনুমোদিত পুঁজিৰে নবীকৰণ কৰা হৈছে।

ইপিনে, ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ পেগুৱে জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতি, অসমৰ বিষয়ববীয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। সংগঠনৰ বিষয়ববীয়াসকলক জনজাতীয় সমাজখনৰ সামগ্ৰিক উন্নয়নৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সকলোখিনি সহযোগিতা আগবঢ়োৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে। সংগঠনটোৱে উত্থাপন কৰা ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ভূমি সংৰক্ষণ, জনজাতীয় অঞ্চলত বিদ্যালয় স্থাপন, স্বায়ত্বশাসিত পৰিষদলৈ সাংবিধানিক মৰ্যাদা প্ৰদান আদি কেইবাটাও বিষয় বৈঠকত আলোচনা কৰা হয়।

00000000

কেন্দ্ৰীয় চৰকাৰে প্ৰতিৰক্ষা খণ্ডত ৰপ্তানি হ্ৰাস কৰাৰ লগতে আত্মনিৰ্ভৰশীলতাত উদ্গনি যোগোৱাৰ উদ্দেশ্যে ৩৪৬ বিধ সামগ্ৰী বিশিষ্ট পঞ্চমখন ইতিবাচক সূচী প্ৰকাশ কৰিছে। ইয়াৰে ভিতৰত এহেজাৰ কোটিৰো অধিক টকাৰ আমদানি প্ৰতিষ্ঠাপন মূল্যৰ কৌশলগত দিশৰ পৰা গুৰুত্বপূৰ্ণ লাইন ৰিপ্লেচমেণ্ট গোট, যন্ত্ৰাংশ, উপাদান আৰু কেঁচা সামগ্ৰী আছে। প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে কৈছে যে এই সামগ্ৰীসমূহ অকল ভাৰতীয় উদ্যোগৰ পৰাহে ক্ৰয় কৰা হ'ব। মন্ত্ৰ্যালয়ে লগতে বিগত তিনি বছৰত ১২ হাজাৰ ৩০০ ৰো অধিক বিধ সামগ্ৰী স্বদেশীকৰণ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। ইয়াৰ ফলত প্ৰতিৰক্ষা খণ্ডৰ ৰাজহুৱা কোম্পানীসমূহে ঘৰুৱা বিক্ৰেতাক মুঠ ৭ হাজাৰ ৫০০ কোটিৰো অধিক টকাৰ ফৰ্মাচ দিছে।

000000000

ভাৰতৰ সামগ্ৰী আৰু সেৱাৰ ৰপ্তানি জুনত ৫ দশমিক ৪ শতাংশ বৃদ্ধি পাই ছহেজাৰ ৫৪৭ কোটি ডলাৰ হৈছেগৈ। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি এপ্ৰিলৰ পৰা জুনলৈকে সামগ্ৰিক ৰপ্তানি ৮ দশমিক ৬ শতাংশ বৃদ্ধি পাই ২০ হাজাৰ ৩৫ কোটি ডলাৰ হয়। এই সময়ছোৱাত পণ্য সামগ্ৰীৰ ৰপ্তানি যোৱা বছৰৰ তুলনাত ২ দশমিক ৫ - ৫ শতাংশ বৃদ্ধি পায়। যোৱা জুনত পণ্য সামগ্ৰীৰ ৰপ্তানি বৃদ্ধিৰ ক্ষেত্ৰত অভিযান্ত্ৰিক সামগ্ৰী, বৈদ্যুতিন সামগ্ৰী, ঔষধ, কফি, জৈৱ ৰসায়ন, অজৈৱ ৰসায়ন সামগ্ৰীৰ অৱদান সৰ্বাধিক আছিল।

000000000

**সমাপ্ত**